**অসম বিধান সভা**
**তৰা চিহ্নিত প্ৰশ্ন নং- ২৫৭**
**উত্তৰ দিয়া তাৰিখ ২৮-০৭-২০২৬**

বিষয় : অবৈধভাৱে বালি, শিল, মাটি আৰু অন্যান্য খনিজাত দ্ৰব্য খনন সম্পৰ্কে।

শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, বিধায়ক ।

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সোণাৰি সমষ্টিৰ অন্তৰ্গত কোন কেইটা স্থানত শিল, বালি, মাটি খনন কাৰ্য সংঘটিত হৈছে? বিগত পাঁচটা বৰ্ষত সোণাৰি সমষ্টিৰ অবৈধভাৱে শিল, বালি মাটি খনন আৰু পৰিবহনৰ সন্দৰ্ভত বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) বৈধভাৱে আৰু বিজ্ঞানসন্মত ভাবে খনিজাত দ্ৰব্য উত্তোলন আৰু পৰিবহন ব্যৱস্থাৰ বাবে বিভাগে বৰ্তমান কি কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ভৱিষ্যতে এই ক্ষেত্ৰত কি নতুন পদক্ষেপ গ্ৰহণ কৰাৰ পৰিকল্পনা আছে? সবিশেষ জনাব।

**উত্তৰ**

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী শ্ৰীজয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব ।

(ক) পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগে দিয়া তথ্য অনুসৰি শিৱসাগৰ বন সংমণ্ডলৰ অধীনৰ সোণাৰি সমষ্টিৰ অন্তৰ্গত কোনো স্থানত শিল, বালি মাটি খনন কাৰ্যৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হোৱা নাই। বিগত পাঁচটা বৰ্ষত সোণাৰি সমষ্টিৰ অৱৈধভাৱে শিল, বালি মাটি খনন আৰু পৰিবহনৰ সম্পৰ্কত বিভাগে লোৱা ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হল-

১। নিয়মিত তহলদাৰীৰ ব্যৱস্থা কৰাৰ উপৰিও আকস্মিক পহৰা ব্যৱস্থাৰ জৰিয়তে বিভাগীয় নথি-পত্ৰ নথকা অবৈধ বালি, শিলৰ উৎস সমূহ তৎক্ষণাত চিনাক্ত কৰি বিভাগীয় নিয়ম অনুসৰি লগে লগে জব্দ কৰা হয় আৰু জৰিমণা আৰোপ কৰাৰ লগতে বন গোচৰ ৰজু কৰি অভিযুক্তৰ ওপৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰা হয়।

২। বন বিভাগৰ কৰ্মচাৰী সকলে কৰা নিয়মীয়া তালাচী, তহলদাৰী আদি কৰোতে খনিজ সম্পদৰ অবৈধ সৰবৰাহ ধৰা পৰিলে বালি, শিল, মাটি আদি সৰবৰাহ কৰা যান-বাহন, সামগ্ৰী আদি জব্দ কৰাৰ লগতে সংশ্লিষ্ট ব্যক্তিক নিৰ্ধাৰিত আইন অনুসৰি জৰিমণা কৰাৰ লগতে বন গোচৰ ৰজু কৰি অভিযুক্তৰ ওপৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰা হয়।

(খ) বৈজ্ঞানিক, সুশৃংখল, নিৰাপদ, পৰিৱেশ-অনুকূলভাৱে আৰু বৈধভাৱে খনিজ সম্পদৰ উত্তোলন আৰু পৰিবহণ নিশ্চিত কৰাৰ বাবে খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ সঞ্চালকালয় ভূতত্ব আৰু খনি সঞ্চালকালয়, অসমে “অসম লঘু খনিজ ৰেহাই বিধি, ২০১৩”-ৰ বিধি ৫১ আৰু ৫২-ৰ অধীনত খনন পৰিকল্পনাৰ অনুমোদন প্ৰদান কৰে। ভৱিষ্যতে অবৈধ খনন আৰু পৰিবহণ অধিক ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ কৰাৰ বাবে নিয়মীয়া ক্ষেত্ৰ পৰিদৰ্শন, আন্তঃবিভাগীয় অভিযান, খনিজ পৰিবহণৰ অধিক কঠোৰ নিৰীক্ষণ আৰু প্ৰযুক্তিনিৰ্ভৰ নজৰদাৰী ব্যৱস্থা শক্তিশালী কৰাৰ পৰিকল্পনা আছে। ইতিমধ্যে ২০২৬ চনত “অসম লঘু খনিজ ৰেহাই বিধি, ২০১৩”-ৰ সংশোধন কৰা হৈছে, যাতে চৰকাৰী ৰাজহ সংৰক্ষণ তথা বৃদ্ধি, খনিজ সম্পদৰ সুৰক্ষা আৰু পৰিৱেশৰ ভাৰসাম্য বৰ্তি থাকে । ভৱিষ্যতে অবৈধ খনন আৰু পৰিবহণ ৰোধৰ বাবে প্ৰযোজ্য আইন, নিয়ম আৰু বিধি অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ অব্যাহত থাকিব।

********

Uploaded in National e vidhan Application